# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## WINTER SESSION

**VOL. VI**

**NO. 6**

The 5th December, 1984

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1984

(Winter Session)

**Volume VI**

No. 6

Dated, the 5th December, 1984

Contents **Pages**


1. Questions ... ... ... ... 1—11
2. Miscellaneous ... ... ... ... 12—15
3. Calling attention Notice ... ... 15—16
4. Matter Under Rule 301 ... ... 16—21
5. Adjournment ... ... .. ... 21

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Re ublican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday the 5th December, 1984 with the Hon'ble Speaker in the Chair, 16 ( Sixteen ) Ministers, 13 (thirteen) Ministers of State and 60 ( Sixty ) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

Date:—5th December, 1984.

Starred question No. 28 was not put member being absent.

বি: বিল্ডওৱেল কাৰখানা

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে:

*২৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) গুৱাহাটীৰ জু-ৰ'ডত অৱস্থিত বিল্ড-ওৱেল কাৰখানাটোৰ উৎপাদন কাৰ্য্য যোৱা মাৰ্চ মাহৰ পৰা বন্ধ ৰখা হৈছে নেকি?

(খ) যদি সেয়ে হয়, উক্ত কাৰখানাৰ ঘৰটোত মোচনৰ পৰিৱৰ্ত্তে চাহপাত ৰখা হৈছে নেকি?

শ্ৰীজীৱকান্ত গগৈ (উদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৯। (ক) হয়।

(খ) হয়।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, গুৱাহাটীৰ জুন্‌ব'ডত বিল্দ ওৱেল কাৰখানাটো বিগত মাৰ্চ মাহৰ পৰা বন্ধ হৈ আছে। প্ৰশ্ন হল যে, এই কাৰখানাটো বন্ধ কৰাৰ কাৰণে জাননী দিয়া হৈছিলনেকি ? আৰু যদি হৈছিল কোন তাৰিখে দিয়া হৈছে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— বন্ধ কৰাৰ কাৰণে জাননী দিয়া হোৱা নাই।

শ্ৰীপূৰ্ণ বড়ো :— বন্ধ কৰাৰ কাৰণে জাননী নিদিয়াকৈ কাৰখানা কেনেকৈ বন্ধ কৰা হল ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— এই কোম্পানীটোৱে ঘৰ-দুৱাৰ ৰেজিষ্টাৰ কৰিছিল কিন্তু ঘৰটো চাহৰ গুদাম এটাক ভাৰা দিয়াত ৰেজিষ্ট্ৰেচন কেনচেল কৰা হল।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, উক্ত কাৰখানাটো কৰোতে চৰকাৰৰ অনুদান লোৱা হৈছিলনে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— নাই হোৱা।

শ্ৰীহেমেন দাস :— এই কাৰখানাটো বন্ধ হোৱাৰ কাৰণে সম্পূৰ্ণ অনুসন্ধান চৰকাৰে কৰিবনে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— তেওঁলোকে বিল্দ ওৱেল কাৰখানা বন্ধ কৰি দুলিয়াজানলৈ গুচি যায়।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, গুৱাহাটীৰ কাৰখানাৰ কাৰণে নিশ্চয় চৰকাৰৰ পৰা মাটি লৈছে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— মাটি চৰকাৰৰ পৰা লোৱা নাই।

শ্ৰীহেমেন দাস :— এই কাৰখানাৰ বাবে যিবিলাক কেচা মাল আনি আছিল এতিয়াও সেই বিলাক আনিয়েই আছেনেকি ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— ৰেজিষ্ট্ৰেচন কেনচেল হোৱাৰ পিচত অনা নাই।

শ্ৰীপূৰ্ণ বড়ো :— গুৱাহাটীৰ বাবে ৰেজিষ্ট্ৰেচন কৰি দুলিয়াজানত কেনেকৈ কাৰখানাটো চলাই থাকিব পাৰিছে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— গুৱাহাটীত উদ্যোগ কৰিবৰ কাৰণে ৰেজিষ্ট্ৰেচনকৰিছিল কিন্তু ইয়াৰ পৰা উঠাই লৈ যোৱাৰ পিচত অনুমতি লোৱা নাই।

শ্ৰীপূৰ্ণ বড়ো :— বিল্ড ওৱেল কাৰখানাটো গুৱাহাটীত ৰেজিষ্ট্ৰেচন হোৱাৰ পিচত একে মালিকৰ নামত কেনেকৈ দুলিয়াজানত ৰেজিষ্ট্ৰেচন দিব পাৰিবলে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— সেইটো দিয়া নাই।

শ্ৰীপূৰ্ণ বড়ো :— একে মালিকেই এই কাৰখানাৰ নামত কাম কাজ চলাই আছে। এইটো কেনেকৈ হব পাৰিছে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— আমি ৰেজিষ্ট্ৰেচন কেনচেল কৰি দিছো।

শ্ৰীহেমেন দাস :—দুলিয়াজানৰ ৰেজিষ্ট্ৰেচনৰ কেনচেল কৰা নাইনেকি ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— নাই।

শ্ৰীহেমেন দাস :—এইদৰে কাৰখানা বন্ধ কৰি উদ্যোগ উঠাই লৈ গলে আমাৰ উদ্যোগ বিকাশত ক্ষতি হয় সেই কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— কৰিছে।

Shri Md. UMARUDDIN—Where is the main factory, is it at Gauhati or it is at Duliajan and which one is the main ? What is the main location of the factory ?

Shri JIBAKANTA GOGOI (Minister of State)—It is registered at Gauhati under DIC Gauhati and it started production there. The company then faced production problem and that is why they have shifted the machinery to Duliajan. Now the production at Duliajan started falling and the workers who were here, most of them were absorbed at Duliajan and those who refused to go, there or refused to join work in the alternative company they were dsimissed.

শ্ৰীমথুৰা ডেকা :— এই কোম্পানীটো গুৱাহাটীত আৰম্ভ কৰোতে তাত কিমান কৰ্মচাৰী আছিল ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— আমাৰ খবৰ মতে ২৫০ জন কৰ্মচাৰী আছিল।

শ্ৰীমথুৰা ডেকা :— এই কৰ্মচাৰী সকলৰ অৱস্থা কি হৈছে ? তেওঁলোকে এতিয়া কত চাকৰি কৰি আছে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— ২৫ জনৰ বাহিৰে সকলো কৰ্মচাৰীকে অলটাৰনেটিভ জনত নিযুক্তি দিয়া হৈছে। মাত্ৰ ২৫ জনকহে ডিস্‌মিস কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, এই কোম্পানীৰ ৰেজিষ্ট্ৰেশন গুৱাহাটীত দি এই উদ্যোগ গুৱাহাটীতে কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— সেইটো চিন্তা কৰা হব।

শ্ৰীহেমেন দাস :—গুৱাহাটীৰ ৰেজিষ্ট্ৰেচন কেনচেল কৰি দি মালিকক চৰকাৰে সুবিধা কৰি দিয়া নাইনে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :—ফেব্ৰিকেচন কৰিবৰ কাৰণে দিয়া হৈছিল কিন্তু এইটো নকৰি চাহৰ্ব গুদামক ভাৰা দিয়াৰ বাবে ৰেজিষ্ট্ৰেচন কেনচেল কৰা হৈছে।

শ্ৰীহেমেন দাস :— এনে ধৰণৰ এটা উদ্যোগ আমাৰ ইয়াত প্ৰয়োজন আছে। গতিকে চৰকাৰে গুৱাহাটীতে এটা উদ্যোগ কৰিবৰ কাৰণে চিন্তা কৰিবনে ?

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) :— এইটো বিবেচনা কৰি চোৱা হব।

Re : Sorbhog Balawadi Centre

Shri HEMEN DAS asked :

*30. Will the Minister, Social Welfare be pleased to state—

(a) The name of the Chowkidar of the Sorbhog Balawadi Centre with the dates of his appointment and joining ?

(b) Is it a fact that his monthly salary is rupees one hundred and twenty only ?

Shri DIPAK MOORMOO (Minister, Social Welfare) replied :

30. (a) The name of the Chowkidar is Shri Nibaran Chandra Nath. He was appointed on 1st August 1980 and joined on the same day.

(b) Yes.

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, আপোনাব মূবব ওপবত মহাত্মা গান্ধীব ছবি আবু চবকাবে প্ৰধান মন্ত্ৰী ইন্দিবা গান্ধীক লৈ এতিয়াও গোৰব কবি আছে যে, আপোনালোকে দুখীয়া-দৰিদ্ৰব জনক, মই জানিব বিচাৰিছো কোন আইন মতে চবকাবে ১২০ টকা মাহেকীয়া দৰমহা দিব পাৰিছে ?

শ্ৰীদীপক মূৰ্ম্মু (মন্ত্ৰী) ঃ— চাব এইটো এটা পাৰ্ট টাইম চাকৰি, সেই কাৰণে এটা কনচলিদেটেড দিয়া হৈছে।

শ্ৰীহেমেন দাস ঃ— নিযুক্তি পত্ৰত এই কথা লিখা নাই।

শ্ৰীদীপক মূৰ্ম্মু (মন্ত্ৰী) ঃ— নিযুক্তি পত্ৰ মোব হাতত নাই, চাৰ।

শ্ৰীহেমেন দাস ঃ— মোৰ হাতত আছে চাব, তেওঁক চকিদাব হিচাবে মাহে ১২০ টকাকৈ দিয়া হৈছে। ভাৰতবৰ্ষব কোনো এখন চবকাবতে মিনিমাম উবেজ নিদিয়াকৈ থাকিব নোৱাবে।

Shri DIPAK MOORMOO (Minister) This will be examined.

শ্ৰীহেমেন দাস ঃ— মিনিমাম কৃষি শ্ৰমিকব মজদুৰী ইয়াত কাৰ্য্যকৰী হোৱা নাই।
Those employees there are Government employees.
চতুৰ্থ শ্ৰেণীব চাকৰিয়ালব দৰমহা কিয় দিয়া হোৱা নাই ?

Shri JAGANNATH SINHA ( Minister )—Minimum wages have been fixed at different rates for different

categories of employes in different establishments. For this particular establishment there is no minimum wage.

Shri HEMEN DAS—Yes Sir, there is. These are grade IV employees as chowkidars and peons are grade IV employees and for them minimum wage has been fixed by the Assam Pay Chmmission and according to this principle they are to get the minimum wage as fixed by the Pay Commission.

Shri DIPAK MOORMOO (Minister)—This particula person is not a regular worker; he is a part-time employee.

Shri HEMEN DAS—In his appointment letter there is no mention of part-time worker. He is a chowkidar.

মাননীয় অধ্যক্ষ ঃ— মানে কথাটো হল এইটো তেখেতে কৈছে যে নহয়, আপুনি কৈছে পার্টটাইম চাকৰি। গতিকে গোটেই কথাটো চালিজাবি চাই কামটো কৰিব।

Shri HEMEN DAS That is what I want.

বি ঃ পুথিমাবী নৈব বান্ধ।

শ্রীমথুবা ডেকাই সুধিছে ঃ

*৩১ মাননীয় বাননিয়ন্ত্রন বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ঃ

(ক) পুথিমাবী নৈব ১ম, ২য়, ৩য়, ৪র্থ, ৫ম চেকসনব ভিতবত ১৯৮৩-৮৪ চনত কিমান টকা খবছ কবা হৈছে, চেকসন হিচাপে জনাবনে ?

(খ) ববিলা নামব ঠাইত মাথাউবী ভঙাব আগতে কোনো বিষয়াই খা-খবব কবিছিলনে ?

(গ) সংমণ্ডল বিষয়াক বাইজে মথাউবী ভঙাব আগদিনা খন আবু নদীব পানী বঢ়াব সময়ত বিপদব আগজাননী দিয়াটো চবকাবে জানেনে ?

(ঘ) বৰ্ত্তমান সংমন্ডল বিষয়াজনে চেক্সন বিষয়া হিচাপে আবু সংমন্ডল বিষয়া হিচাপে পুথিমাবী নৈব সংক্রান্তত কিমান বছব কাল চাকৰি কবিছে জনাবনে ?

(ঙ) এইজন বিষয়াব উক্ত ঠাইব কাৰ্য্যকালব ভিতবত মঠাউবী (পুথিমাবী) কিমানবাব ভাঙিলে জনাবনে ?

(চ) বৰ্ত্তমানলৈকে ১৯৬৮ চনব পবা মঠাউবী ভঙাব বাবে মেবামতিত কিমান টকা ব্যয় হৈছে আবু মঠাউবী ভঙাব ফলত ক্ষতিপুবণব বাবদ কিমান টকা ভবণী হৈছে জনাবনে ?

শ্ৰীবৰ্গৰাম দেউৰী (বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩১। (ক) পুঠিমাৰী নৈৰ ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম নামাকৰণেৰে কোনো চেক্সন নাই। এই নদীৰ বান্ধত মুঠতে ৭টা সেকসনৰ আছে। এই ৭টা সেকসনৰ ১৯৮৩-৮৪ চনত মুঠ খৰচ—

| | | |
|---|---|---|
| ১। খাতপাৰা চেকসন | = ট | ১২,৫০,০০০·০০ |
| ২। গোবেশ্বৰ " | = ট | ১০,৫০,০০০·০০ |
| ৩। পুঠিমাৰী ১নং " | ট | ৮,৩৫,০০০·০০ |
| ৪। পুঠিমাৰী ২নং " | ট | ৭,৭৫,০০০·০০ |
| ৫। কমলপুৰ ১নং " | ট | ১,৭৫,০০০,·০০ |
| ৬। কমলপুৰ ২নং " | ট | ১,৯১,০০০·০০ |
| ৭। সনেশ্বৰ সেকসন | = ট | ৩,১৫,০০০·০০ |
| | মুঠ টকা | ৪৫,৯১,০০০·০০ |

(খ) হয়, কৰিছিল।

(গ) সংমণ্ডল বিষয়াক কোনো ৰাইজে লগধৰা নাছিল কিন্তু বৰ্তমান থকা উপ-সংমণ্ডল বিষয়াক ৰাইজে লগধৰা কথাটো সচাঁ আৰু উপ-সংমণ্ডল বিষয়াজনে ৰাইজৰ লগত উক্ত মথাউৰীৰ প্ৰতিৰক্ষাৰ কামত ব্যস্ত আছিল।

(ঘ) বৰ্ত্তমানৰ সংমণ্ডল বিষয়াজনে পুঠিমাৰী নৈৰ সংক্ৰান্তত চেকসন বিষয়া হিচাপে কোনো দিনেই কাম কৰা নাই। কেৱল সংমণ্ডল বিষয়া হিচাঁপেহে ১৯৮১ চনৰ এপ্ৰিল মাহৰ পৰা চাকৰি কৰি আছে।

(ঙ) এবাৰহে অৰ্থাৎ ১৯৮৪ চনত।

(চ) ১৯৬৮ চনৰ পৰা বৰ্ত্তমানলৈকে মথাউৰী ভঙাৰ মেৰামতিৰ বাবদে ১৭·০৫ লাখ টকা খৰছ হৈছে।

ক্ষতিপূৰণৰ পৰিমান সম্পৰ্কে বাননিয়ন্ত্ৰন বিভাগ অৱগত নহয় কাৰণ ৰাজহ বিভাগেহে ইয়াৰ তদাৰক কৰে।

শ্ৰীমথুৰা ডেকা ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চেকশ্যন নাই আৰু তেখেতে ১, ২ কৈ ৭টা চেকশ্যনৰ কথা কৈছে আৰু কিমান টকা খৰচ হৈছে তাকো, আনহাতে বৰ্ত্তমানৰ এচ, ডি, অ' জনেই ১৯৬২ চনত চেকশ্যন অফিচাৰ আছিল, তেখেতৰ দিনতেই পুঠিমাৰী নৈৰ মথাউৰি ভাঙে। যি ৪৫ লাখ টকা খৰচ কৰাৰ কথা কৈছে কি কি কামত এই টকা খৰচ কৰা হল জনাব লাগে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনত এই টকাটো খৰচ হৈছে ৪৫ লাখ ৯১ হেজাৰ মই আগতেই কৈ থোৱা ভাল হব যেএই এম বেংকমেণ্টৰ টোটেল লেংথ। 300 metes গতিকে এই ৭টা আইটেমত টকাটো খৰচ হৈছে।

Sir, let me give the reply to the points raised by the Hon'ble Member. During financial year 1983-84, an amount of Rs. 45,91,000.00 was spent in Puthimari Embankment in the following works;—

(1) Raising and strengthening Puthimari Right Bank Embankment from Habibari to Rangia Goreswar Rly. line (about 16. 3. k. m.)

(2) Raising the cost of embankment and strengthening the steps as and when necessary on both bank of Puthi mari embankments from R. G. Rly. line to R. A. Rly line (39 k. M. both banks).

(3) Anti-erosion measures to protect Puthimari dyke in different reaches from Rangia-Goreswar Rly. Line to Rangia-Amingaon Rly. line—in 10 reaches (boulder bars with porcupine).

(4) Construction of retirement bund on left bank of Puthimari at Athra—300 metres.

(5) F.D.R. to Puthimari dyke in different eroded reaches from Rangia Amingaon Railway line to Baromboi. 15 reaches boulder bar with procupine.

(6) Channelisation of river Puthimari from Rangia-Goreswar line to Rangia-Amingaon line with porcupine screen and piles—8 reaches.

(7) Flood drill during flood and pre-monsoon repairing works.

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে পুথিমাৰী এমবেঙ্কমেন্টৰ ৰাইট চাইদটো ৰেলৱে লাইনলৈকে ষ্ট্ৰেংডেন্ কৰা হৈছে। কিন্তু কথা হল মথাউৰি ভাঙি বানপানী হয়, পুঠিমাৰীৰ পানী গোৰেশ্বৰৰ ফালে আৰু বৰপথাৰৰ উত্তৰ ফালে পানী সোমায় বানপানীৰ সৃষ্টি কৰিছিল। এতিয়া কথা হল মন্ত্ৰী মহোদয়ে কোৱা মতে যদি ষ্ট্ৰেংডেন আৰু ৰাইজআপ কৰা হল তেন্তে তাত মথাউৰি আদি বন্ধাৰ কিবা ব্যৱস্থা কৰিছেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই জনা মতে এতিয়া ৫ কিলোমিটাৰমানহে গেপ আছে আৰু এই গেপটো বন্ধাৰ কৰনে চৰকাৰে ইতিমধ্যে টেকনিকেল এড্ভাইচৰী কমিটীত পুট আপ কৰিবলৈ দিছিল। প্ৰথমবাৰটো টেকনিকেল এড্ভাইচৰী কমিটীয়ে ডিজাৰেবল নহয় বুলিয়েই কৈছিল। কিন্তু এই পৱিত্ৰ সদনত আশ্বাস দিয়ামতেই আমি ইয়াৰ কিবা এটা ব্যৱস্থা কৰিম বুলি ভাবিছো।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতে কৈছে যে টেকনিকেল এডভাইচ লগে লগে লব লাগে, কিন্তু টেকনিকেল এডভাইচ দিয়ে মানে ইফালে মানুহ মৰি শেষ হয়। এইটো কামত কিমান দিন লাগিব বুলি আপুনি ভাবে ? বানপানীটো আপোনালোকৰ কাৰণেই হয়। যোৱা বাৰ আপুনি নিজেই প্ৰতিশ্ৰুতি দিছিল, সেয়ে এইবাৰ কিবা ব্যৱস্থা কৰিব বুলি আশা কৰিব পাৰোনে ?

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এইটো মোৰ সমষ্টিৰ কথা নহয়। কমলপুৰ সমষ্টিৰ মানুহৰ অভাৱ অভিযোগ পাইছোঁ তথাপিও টকা পইচাৰ অভাৱৰ কাৰণেই আঁচনি সমূহ আমি ভৱা মতে লব পৰা নাই। মাননীয় সদস্য গৰাকীক এইখিনিয়ে সন্তুষ্ট কৰিব বুলি মই ভাবিছোঁ।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এইটো মোৰ সন্তুষ্টিৰ কথা নহয়। কমলপুৰ সমষ্টিৰ মানুহৰ দুৰৱস্থা আপুনি দেখা নাই, যোৱা ৩ বছৰে তাত বানপানী হৈ মানুহৰ হাহাকাৰ অৱস্থা। গতিকে আপুনি তেওঁলোকৰ কাৰণে কিবা এটা কৰক মোৰ সন্তুষ্টিৰ কথা মই কোৱা নাই।

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— এইটো বিবেচনা কৰি আছোঁ। কাৰণ ভূটানৰ ওচৰেদি যোৱা নদী-উপনদী যি বিলাক আছে এই বিলাকত এইবাৰ পানী বাঢ়ি বিপদসীমা পাৰ হৈ গৈছে। কেৱল বৰঙিয়াতেই নহয় কৌকৰাঝাৰতো গোটেই বিলাক নদী এইবাৰ ডেঞ্জাৰ লেভেল পাৰ হৈ গৈছে। সেয়ে এই ক্ষেত্ৰত বানানিয়ন্ত্ৰন বিভাগে যি ব্যৱস্থা লৈছে তাত বহুতো মাটি সুস্থ সুৰক্ষিত হৈছে। তথাপিও মাননীয় সদস্য গৰাকীয়ে যি অস্বাভাৱিক বানপানীৰ কথা কৈছে সেই সম্পৰ্কে বিবেচনা কৰিম।

শ্ৰীবৰকত উল্লা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই এচ, ডি, অ' জনক মানুহে লগ ধৰা নাই। কিন্তু আমাৰ হাতত তথ্য আছে আৰু বৰঙিয়াত যেতিয়া আমাৰ বিধায়ক সকলে বানপানী চাবলৈ গৈছিল তেতিয়া সকলো ৰাইজে লগ ধৰি মথাউৰি ভঙাৰ আগৰ্দিনা তেওঁক খবৰ কথা কৈছিল। গতিকে মন্ত্ৰী মহোদয়ে এই কথাটো চালি-জাৰি চাই এই বিষয়া জনৰ বিৰুদ্ধে ব্যৱস্থা লবনে ?

শ্ৰীবনেন্দ্ৰ ন্যাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সংমণ্ডল বিষয়াক লগ ধৰা নাই। উপ-সংমণ্ডল বিষয়াক লগ ধৰি বিপদৰ আগৰ্দিনা মথাউৰি ভঙা সম্পৰ্কত কোৱা বুলি আমি জানো। কিন্তু সংমণ্ডল বিষয়া বুলিলে আমি গুৱাহাটীত থকা জনকহে বুজায় য়ে উত্তৰ সেইভাৱেই দিয়া হৈছে।

শ্ৰীবৰকত উল্লা :— অধ্যক্ষ মহোদয়, এই এচ, দি, অ' জনৰ বিৰুদ্ধে মন্ত্ৰী মহোদয়ে এটা তদন্ত চলাবনে ?

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— এই বিষয়ে চোৱা হব।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এতিয়া কথাটো হল আমাৰ লিখাত অলপ ভুল হলনেকি ? অভিযন্তা সংমণ্ডল বিষয়া আদি বহুতো আছে, কিন্তু যিহেতু মণ্ডল-সংমণ্ডল আদিৰ পাৰ্থক্য বিচাৰি চাই লিখা নহল সেই হেতুকেই আমাৰ ভুলটো দেখুৱাই দিবলৈ এইদৰে কৈছে নেকি ? অধ্যক্ষ মহোদয়, এইবাৰ প্ৰাকৃতিক দুৰ্যোগ বুলি কৈছে যোৱা বাৰ কত হল ? আগৰ বেলি বানপানী হোৱা নাছিল নেকি ? হৈছিল ৰাজহ বিভাগৰ মন্ত্ৰীয়ে সাহায্যও দিছিল। গতিকে এই বিষয়াজনৰ কি ব্যৱস্থা কৰা হব ?

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— মাননীয় সদস্য জনে যাৰ কাৰণেই এই প্ৰশ্নটো উঠাইছে আৰু তাৰ উত্তৰো দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মঠাউৰি ভঙা নাই। যোৱাবাৰ হবিভঙাত মঠাউৰি ভাঙিছিল আৰু সেই কাম কৰাৰ আশ্বাসো দিছিল কিন্তু নকৰাৰ ফলতো এইবাৰ বানপানী হবলৈ পালে। এইটো চোৱা হবনে ?

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :—চোৱা হব।

শ্ৰীমথুৰা ডেকা :— কেতিয়াকৈ কৰা হব ? আমাৰ গোটেই মানুহখিনি নি এইবাৰ আপোনাৰ ঘৰতে থমগৈ। আপুনি কোকৰাঝাৰলৈ গৈ থাকে আমিও ঘৰ চিনি পাওঁ, তাৰ এচ, ডি, অ' জনৰ কিবা ব্যৱস্থা কৰিবনেকি ?

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই বিশেষ কামৰ কাৰণে কোকৰাঝাৰলৈ গৈ আছো। অহা ৮ ডিচেম্বৰৰ পৰা সদৌ অসম শিল্পী সমাবোহ পতা হব আৰু ইয়াৰ তদাৰকত আছো বাবে মনাই গৈ থাকিবলগীয়া হৈছে। কঙিয়ালৈও গৈছোঁ দুৱাৰমান।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, যি জন এচ, ডি, অ' বঙিয়াত আছে তেওঁ পৰ্য্যাপ্ত মথাউৰিৰ অভাৱ চিয়াৰ। তেওঁ থকা কালতে এই মথাউৰি ভাঙে।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বিষয়াজন ১৯৬৮ চনলৈকে তাত চেকচন অফিচাৰ হৈ আছিল। আৰু তেতিয়া এবাৰ ৪ ঠাইত মথাউৰি ভাঙিছিল তাৰ পিছত এইবাৰ ভাঙে।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, তাৰ পিছত আৰু কিমান চনত ভাঙে কব পাৰিবনে ?

শ্ৰীৰমেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, সেইটো মোৰ হাতত এতিয়া নাই কাৰণ প্ৰশ্নটো যি ধৰণে উঠাইছিল সেই ধৰণেহে আমি উত্তৰ দিছোঁ আৰু প্ৰিপেয়াৰ হৈ আহিছিলো।

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 5th December, 1984

Re : River Dhansiri.

Shri SILVIUS CONDPAN asked :

4. Will the Minister, Flood Control be pleased to state—

(a) Whether Government is aware of the fact that the river Dhansiri is likely to change its course at village Tarabari within Routa Gaon Panchayat in Udalguri Sub-Division ?

(b) If so, the steps taken in this regard ?

Shri RAMENDRA NARAYAN BASUMATARY (Minister, Flood Control) replied :

4. (a) Yes, Government is aware that the river Dhansiri is eroding its bank near village Tarabari but has not apprehanded any immediate danger of changing its course.

(b) (i) There are existing protection works in the form of boulder bar in the Tarabari area which have been slightly damaged in the last flood Necessary action to repair the same is being taken.

(ii) To tackle with the erosion problem on the U/S & D/S of existing protection work a proposal has been

prepared and being routed through the Technical Advisory Committee to examine its feasibility.

Shri SILVIUS CONDPAN Sir, Hon'ble Minister has replied to 4(a) that Government is not apprehending danger for the change of course of Dhansiri river. Sir, if this is true we are very much secured. But the repair work that was taken up years ago is not at all feasible. As a matter of fact, for the information of the Hon'ble Minister, Flood Control, I had taken the Minister of State Shri Kul Bahadur Chetri with me ten days before to see things for himself. If he could have informed the Government about the things, then this reply would not have come. May I know from the Hon'ble Minister whether Shri Chetri had reported to him after having inspected the site ?

Shri RANENDRA NARAYAN BASUMATARY (Minister, Flood Control)—Sir, throughout the bank of the river, it has been observed that there are erosions and in some places erosions are acute also. There was protection works also near Tarabari and particularly Dhansiri Village No.5 where protection work has been taken up. As the Hon'ble Member has pointed out that the protection work that was taken up have not been able to prevent erosion, we are taking up some protective measures again and for that work estimate has been drawn up and it has come before the Technical Advisory Committee to examine its feasibility so that the areas are protected. Sir, we do not apprehend that there will be change of the course of the river immediately.

Shri BENOY KUMAR BASUMATARY—Mr. Speaker Sir, this is a serious matter. The answer given on the floor of the House differs with the actual position at site, Sir, I also know that the realignment made is only 100 feet away from the existing river. If this 100 feet is eroded the thickly populated areas will be submerged. May I now request the Hon'ble Flood Control Minister to visit the site personally and submit his report before this house ?

Shri RAMENDRA NARAYAN BASUMATARY (Minister)—We are taking up protective measures only. What I have said is that we do not apprehend the change of the course of the river immediately. We are not abandon-

ing the work though we have taken up protective measures. We have also brought another proposal this time to take up some protective measures. Regarding the visit, certainly I will visit the site.

Shri BINOY KUMAK BASUMATARI—The issue has been avoided, Sir. The answer placed in this House differs with the actual position at site. So, what shall we do?

Shri RAMENDRA NARAYAN BASUMATARY (Minister)—All of us will visit the site.

Shri SILVIUS CONDPAN—May I know from the Hon'ble Minister whether the scheme will be implemented within this working season?

Shri RAMENDRA NARAYAN BASUMATARY (Minster)—Sir, this is coming up before the Technical Advisory Committee, because, generally all the important schemes are processed in the Technical Advisory Committee and are approved by the Brahmaputra Flood Control Board. But, Sir, all the schemes approved cannot be taken up for execution at one time because of the paucity of fund Therefore, considering the fund possition, gravity of the situation and depending upon the priority fixed by the TAC our officers we will take up those schemes which are necessary.

Shri SILVIUS CONDPAN—What I submit before the Hon'ble Minister is that the situation is very serious. Will it not be possible on the part of the department to take up emergent schemes to protect the lives and properties of the people?

Shri RANENDRA NARAYAN BASUMATARY (Minister)—It is all the same. Even if we take up schemes on emergent basis these will have to be processed through the Technical Advisory Committee. According to Financial Rules no scheme could be sanctioned beyond Rs. 5 lakhs unless it is processed by the Technical Advisory Co-mmittee.

Mr. Speaker :- Item No. 2

*শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা পৰহিয়েই এটা বিষয় উত্থাপন কৰাৰ কথা আছিল, সেই বিষয়টো আজিহে উত্থাপন কৰিব খুজিছো। বিষয়টো হল যোৱা ৩ তাৰিখৰ 'দৈনিক অসম' বাৰ্তাৰ কাকতত 'প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ মূল্য ২০ হেজাৰ টকালৈকে বাঢ়িছে' বুলি এটা বাৰ্তাৰ পৰিবেশিত হৈছে। সেই বাৰ্তাৰিটো মই সদনৰ জ্ঞাতাৰ্থে পাঢ় দিব খুজিছো। বাৰ্তাটোত এই কথা-খিনি দিয়া আছে,— — —

"(ষ্টাফ ৰিপৰ্টাৰ)— — —

প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ মূল্য ৰাজ্যৰ ঠায়ে ঠায়ে বিশ হাজাৰ টকালৈকে বৃদ্ধি পাইছে। ঠায়ে ঠায়ে এই মূল্য দহ হাজাৰ টকাৰ ভিতৰতে সীমিত হৈ আছে।

প্ৰতিটো সমষ্টিৰ বিধায়ক জনক চলিত বিত্তীয় বছৰটোত তেৰ জনকৈ প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তি দিবলৈ চৰকাৰে দায়িত্ব দিছে। অৰ্থাৎ বিধায়ক জনে প্ৰাৰ্থী বাছি দিব আৰু সেই প্ৰাৰ্থীক প্ৰাৰ্থীৰ উপযুক্ত অৰ্হতা থাকক বা নাথাকক টকাৰ অংকৰ জোৰ যাৰেই বেছি হব তেৱেঁই বাছনিত উঠিব। বৰ্ত্তমান ৰাজ্যৰ চাৰিওফালে এই খেলাই চলিছে আৰু প্ৰাৰ্থী বিধায়ক মন্ত্ৰীৰ পাছ নেৱা হৈছে। টকাৰ ভাগ বিষয়া সকলে নেপায়। তেওঁলোকৰ প্ৰাৰ্থী বছাৰ ক্ষমতাও নাই। বৰপেটা জিলাত চওদা (স্কুটী) প্ৰাৰ্থী জনে প্ৰতি বিশ হাজাৰ টকালৈ উঠিছে। নিৰ্বাচন নোহোৱা সমষ্টি কেইটাৰ ই-কংগ্ৰেছী প্ৰাৰ্থীয়ে তেওঁলোকক সকলোৰে বিপদৰ ছলেৰে উপবিধায়িক নাম দিছে। এই সুযোগতে টকা আৰ্জনৰ বাট সুগম কৰি লৈছে। এই উপবিধায়ক সকল দুৰ্দ্দান্ত প্ৰতাপী বুলিও কোৱা হৈছে। বিধায়ক সকল প্ৰাথমিক স্কুলৰ এই তেৰ জনতেই সীমিত নহয়। অনান্য শিক্ষকৰ নিযুক্তিটো প্ৰতিযোগিতাৰ মাজেৰে টকা লোৱাৰ পদ্ধতি চলি আছে। চৰকাৰ-বাইজে সকলোৱে এইবোৰ কথা জানে, কিন্তু সমাধান নাই।"

মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে এই। এই কথাটো আমাৰ কাৰণে অতি পৰিতাপৰ, গুৰুত্বৰ আৰু অতি লজ্জাজনক কথা আমাৰ দেশখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে আমাৰ দেশৰ প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ ওপৰতে। অথচ এই প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ যোগ্যতাৰ প্ৰতি লক্ষ্য নেৰাখি যদি প্ৰকাশ্যে টকা পইচাৰ বিনিময়ত যথে মথে নিযুক্তি দিয়া হয় তেতিয়াহলে, অকল ভাৱষ্যত বংশধৰ সকলেই যে ক্ষতিগ্ৰস্ত হব সেইটো নহয় শিক্ষাৰ মানদণ্ডও অৱনতি হব। বংশানুক্ৰমে ই সংক্ৰামক ব্যাধিৰ নিছিনাকৈ চলি থাকব। অকল ইমানেই নহয়, আজি কিছুদিনৰ আগতে শ্ৰীহেমেন গোহাঁইয়ে সম্পাদন কৰা বাৰ্তাৰ কাকত 'জনক্ৰান্তি'ত তেখেতৰ নিজা নামতে এটা বাৰ্তাৰ পৰিবেশিত হৈছিল যত তেখেতে এই বিষয়ে বিষোদগাৰ কৰি কৈছে যে, এই সামাজিক ব্যাধৰ প্ৰতি আমাৰ ৰাইজ আগবাঢ়ি নাহিলে তেওঁ নিজেই এক প্ৰতিৰোধ বাহিনীৰ নেতৃত্ব দিব। টকা লোৱাৰ অভিযোগটো মই নিজেও শুনি আছোঁ। মই নিজেও বিধায়ক। যদি কোনোবা এজন প্ৰাৰ্থীৰ পৰা মই শুনো যে, এজন প্ৰাৰ্থীয়ে ১৬ হেজাৰ টকা দিবলগীয়া হৈছে মই সেইটো বিশ্বাস কৰিবলৈ টান পাওঁ। বিশ্বাস কৰিবলৈ টান পালেও তেখেত সকলে কোৱা সেই কথাবোৰ সচাঁ। কিন্তু কি কাৰণে ১৬ হেজাৰ টকা দি প্ৰাথমিক স্কুলত শিক্ষকতা কৰিবলৈ আহিছে সেইটো বুজি নেপাওঁ। সেই পৰিমাণৰ টকাৰে একো একোটা উদ্যোগেই গঢ়ি তুলিব পাৰে। শতকৰা ৫ টকালৈ বজাৰত টকা ধাৰে দিয়া ব্যৱসায় চলি আছে। মাটি বাৰী বেচি ইমান টকা প্ৰাথমিক স্কুলৰ শিক্ষকৰ কাৰণে খৰছ কৰাৰ কোনো মানে নাই। কিন্তু সকলোতে এইটো হোৱা নাই। উদাহৰণ স্বৰূপে বৰপেটাত আজিও ১৩ জন প্ৰাৰ্থীক নিযুক্তি দিব পৰা নাই। অন্যান্য ঠাইত কিছুমান বিধায়কে নিজেই প্ৰাৰ্থীৰ লিষ্ট তৈয়াৰ কৰি দিছে। আমি পৰীক্ষা লৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো। মঙ্গলদৈ, ওদালগুৰি আদি কেইবা ঠাইতো পৰীক্ষা লোৱা হৈছে। তথাপিও বৰপেটাত ২০ হেজাৰ টকালৈকে উঠিছে। এজনে কলে যে, ১৮ হেজাৰলৈ উঠিছে।

(ভইচ্‌ ঃ—আপাৰ আসামত ২০ হেজাৰ)

সি যিয়েই নহওঁক, দেশৰ স্বাৰ্থৰ কাৰণে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ।

দেশৰ স্বাৰ্থৰ কাৰণে আইন প্ৰণয়ন কৰা বিধায়ক সকলৰ বিৰুদ্ধে এনে ধৰণৰ অভিযোগ আহিছে। দেশৰ শাসন প্ৰণালী নিকা কৰাৰ কাৰণে অৰিহণা যোগোৱা বিধায়ক সকলৰ বিৰুদ্ধে এনে ধৰণৰ অভিযোগ

*Speech not corrected.

মাৰাত্মক। মই সেই কাৰণে চৰকাৰৰ ফালৰ পৰা ইয়াৰ ওপৰত এটা স্পষ্ট উত্তৰ বিচাৰিছো. তেতিয়াহলে অন্ততঃ এই বিষয়টোৰ গুৰুত্ব কিছু কমিব। আমি দেশৰ ক্ৰোধান্বিত যুৱক সকলক আহবান জনাম যে ১৯৮০ চনত বিধায়ক হোৱাৰ কাৰণে আমাক ঘৰৰ পৰা ওলাব নিদিয়া ব্যৱস্থা হাতত লৈছিল কিন্তু আজি দুৰ্নীতিৰ পয়োভৰ যদি এনেকুৱা হয় তেতিয়াহলে যুৱক সমাজে সেই সকলক ঘৰৰ পৰা ওলাব নিদিয়া ব্যৱস্থা কিয় হাতত নলব? দুৰ্নীতি মুক্ত কৰাৰ কাৰণে তেওঁলোক ওলাই আহিব লাগে তাৰ কাৰণে আমি আহবান জনাম। বিধায়কৰ বিৰুদ্ধে কৰা সৰৰ আন্দোলন দুৰ্নীতিৰ বিৰুদ্ধে গঢ়ি তুলিব লাগিব। তেতিয়াহলে চৰকাৰে এই দুৰ্নীতিৰ বিৰুদ্ধে এক স্পষ্ট নীতি লবলৈ বাধ্য হব।

* শ্ৰীমুকুট শৰ্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো বাৰ্তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে সেইটো আমাৰ চৰকাৰৰো দৃষ্টি আকৰ্ষণ হৈছে। বাৰ্তাটো অনুমানৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। বাৰ্তাটোত কোনো স্পষ্ট কেচৰ কথা লিখা হোৱা নাই। মাননীয় সদস্যৰ উক্তি মতে বৰপেটাত এতিয়াও পৰীক্ষা লৈ থকা হৈছে। প্ৰাথমিক স্কুলত শিক্ষক নিযুক্তিৰ কাৰণে তেনে স্থলত মাননীয় বিধায়ক সকলৰ ফালৰ পৰা টকা পইচাৰ লেনদেন কৰা কথা লিখি ইয়াত সত্যৰ অপলাপ কৰা হৈছে। বৰপেটাত বিশ হেজাৰ টকালৈকে উঠিছে বোলা কথাষাৰৰ সত্যতা মাননীয় বিধায়কৰ কথাতে খণ্ডিত হৈছে। এনেকুৱা বিলাকৰ বাৰ্তাৰ সচাঁকৈয়ে অত্যন্ত ক্ষতিকৰ। মই এটা কথা এই সদনত কব খুজিছো যে যোৱা নিৰ্বাচনৰ সময়ৰ পৰা এক শ্ৰেণীৰ মানুহে এক শ্ৰেণীৰ খবৰ কাগজে কিছুমান ভুল আৰু আনুমানিক তথ্য প্ৰচাৰৰ দ্বাৰা মন্ত্ৰী সভা তথা বিধায়ক সকলৰ ভাবমূৰ্ত্তি জনসাধাৰণৰ চকুত হেয় কৰি তুলিবলৈ চেষ্টা কৰিছে। মন্ত্ৰী সভা অবৈধ ওচৰলৈ যাব নালাগে ইত্যাদি ধৰণৰ বাৰ্তাৰ পৰিবেশন কৰি বাতাবৰণ দুষিত কৰি তুলিবলৈ চেষ্টা চলাই আছে। কিন্তু মাননীয় সদস্য সকলে নিশ্চয় লক্ষ্য কৰি কৰাৰ ব্যৱস্থা কৰিছিল। এম, ই, স্কুল আৰু মাদ্ৰাছা স্কুলৰ শিক্ষক সকলৰ দাবী-দুৱা ইতিপূৰ্বেৰে পৰা যে বিধায়ক সকলৰ ওচৰলৈ দৈনিক হাজাৰ হাজাৰ লোক আহিয়েই আছে আৰু জনতা ভৱনৰ মন্ত্ৰী সকলৰ ওচৰলৈ দৈনিক হাজাৰ হাজাৰ লোক আহিয়েই আছে। সেই সকলৰ কথা চিন্তা কৰি বাৰ্তাৰ বিলাকৰ সত্যা-সত্যতা মাননীয় বিধায়ক সকলে নিজেই বুজিব পাৰিব। আমি এই বছৰত প্ৰায় দুহাজাৰ শিক্ষকক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো। ইয়াৰ আগতে জনতা চৰকাৰৰ দিনত শিক্ষক ইমান খিনি নিয়োগ কৰিব পৰা নাছিল, কিন্তু আমি প্ৰতিটো বিধান সভাৰ সমষ্টিতে তেৰটাকৈ পোষ্ট দিয়াৰ ব্যৱস্থা কৰিছো। এতিয়া মোৰ নগাওঁ সদাৰ সমষ্টিতে তেৰটা পোষ্টৰ কাৰণে তিনি হাজাৰ দৰ্খাস্ত আহিছে আৰু তাৰ ভিতৰত মাত্ৰ তেৰজনকহে মই চাকৰি দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। কিন্তু বাকী যি সকললোকে চাকৰি নেপাব সেই সকলে বিশ পচিশ হাজাৰ টকা লোৱা বুলি এনেয়েই কোৱাত আচৰিত হবলগীয়া একো নাথাকিব। বাইজৰ মাজত এচাম লোকে এই বিধান সভাৰ মাননীয় সদস্য সকলক হেয় কৰিবলৈ এক ব্যূহ ৰচনা কৰা হৈছে। কিন্তু স্পষ্ট ভাবে এক নিৰ্দিষ্ট অভিযোগ আনি অমুক বিধায়ক দুৰ্নীতিত লিপ্ত আছে বুলি দেখুৱাই দিবপৰা নাই, প্ৰমাণ দিব পৰা নাই। গতিকে গোটেইখিনি মাননীয় সদস্য সকলে নিজেই বিচাৰ কৰি চাব লাগিব কাগজত লিখিলেই কেৱল সত্য হব নোৱাৰে। আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়েও কোৱাৰ দৰে এইটো ঠিক যে কাগজত কেৱল সচাঁ কথাকে নিলিখে। প্ৰাথমিক শিক্ষক নিয়োগৰ ক্ষেত্ৰত এলিমেণ্টাৰি এডুকেশনৰ নীতি নিৰ্দ্ধাৰিত হৈ আছে। বৰপেটাৰ ক্ষেত্ৰতো সেই স্পষ্ট নীতি প্ৰনিধানযোগ্য। এইখিনিকে সদনৰ জ্ঞাতাৰ্থে নিবেদন কৰিছো।

Shri BENOY KR. BASUMATARY.—Sir, when this issue has come to our notice, we have rules by which we should proceed. So, Sir, I wish to refer to rule 158 of the Rules of Procedure and Conduct of Business of this House. It is proved beyond doubt from the statement of the Hon'ble member, Shri Das and Shri Sarma that a breach of privilege of either of some members of the House or that House itself has been committed. The Paper has thought and classified us as corrupt people and

has maligned us. So, it is a matter of breach of privilege of the House. The Rule 158 states—"a breach of privil ge, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House ; (i) by a complaint from a member, (ii) by a petition ; or (iii) by a report from a Committee ; Provided that if the breach is committed in actual view of the House, the House may take action without complaint." Sir, we have seen that this is in actual view of the House. So, I request the House to move for a berach of previlege motion against this Paper, its reporter and the publisher.

Mr. SPEAKER.—It is Rule 158. I think it will be better if you give notice to me for this and I will look into this ; You can bring it during the next session ; you cannot move it today. You give notice. I also feel this. If some thing is done against this House by anybody, it is better to give notice and I will do accordingly.

Md. UMARUDDIN.—Mr. Speaker, Sir, this is a serious allegation against the Hon'ble Members. We should challange it. Unless there is any definite or specific charge they should not just throw some blames to malign the Hon'ble Members. So, Sir, I support Mr. Basumatari and I think there should be an enquiry either in this session or in the next session. Some action must be taken.

Shri ABDUL MUHIB MAJUMDAR.—Sir, the breach of privilege has been sought to be raised under Rule 158. Under Rule 161 there is procedure how to deal with the matter. The Hon'ble Speaker may give his ruling.

The Rule 161 reads as follows :—"If the Speaker gives his consent under Rule 158, the member making the complaint shall, after questions and before the list of business is entered upon, read his complaint and may make a short statement relevant thereto. If the complaint is founded upon a document, it shall be read by the member complaining or, if so directed by the Speaker, by the Secretary. The Speaker, after hearing any other member if necessary, shall decided whether the complaint is in order or not.

Provided that the Speaker may, if he is satisfied about the urgency of the matter, allow a question of privilege to be raised at any time."

Since the matter was raised under Rule 158 it cannot be referred to Rule 161 now.

Mr. SPEAKER.—It will be taken up later, not now.

I have seen the rule "Provided that if the breach is committed in actual view of the House, the House may take action without complaint." I shall consider this matter and now I request the Hon'ble Members to bring it in the next session of the Assembly.

## CALLING ATTENTION NOTICE

Shri HEMEN DAS.—Mr. Speaker, Sir, I beg to call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Sentinel" dated 19th November, 1984 under the caption "College Teachers irregular P. F. Deposits."

Shri MUKUT SARMA.—Mr. Speaker, Sir, Government's attention has been drawn to the news item published in the local daily "Sentinal" in its issue dated 18th November, 1984 under the caption "College Teachers Protest Irregular P. F. Deposits". The matter was enquired into and the facts were as follows :—

It is ascertained from the Principal of the College that from 1975-76 to 1984-85 upto October, 1984 the College authority of Kokrajhar College deducted Rs. 7,24,503/- at source from salaries of the staff as their own contribution to their C. P. F. accounts at the rate of 6% of their basic pay and that during the period only Rs. 4,19,353/- was deposited leaving a balance of of Rs 3,05,150/- to be deposited into their respective C. P. F. accounts

The Principal has stated that the amount could not be deposited on account of difficult financial position of the College.

Government have in the meantime deputed the Inspector of College to enquire and find out the actual position. On receipt of his report appropriate action will be taken.

Shri PURNO BORO.—Mr. Speaker, Sir, I beg to call the attention of the Minister.

Mr. SPEAKER.—The Minister will lay the Statement, you need not move.

Shri ABDUL MUHIB MAJUMDAR.—Mr. Speaker, Sir, I pray for time under rule 54. The Statement could not be made because of certain reasons. I may kindly be allowed time.

Mr. SPEAKER.—Alright.

## MATTER UNDER RULE 301

*Shri PURNA BORO—Mr. Speaker, Sir, I beg to raise a matter Under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the "Sentinel" dated 17th November, 1984 under the caption "Protests day call by M. E. Teachers".

মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ ডিচেম্বৰৰ ৩ তাৰিখে প্ৰতিবাদ দিৱসৰ আহবান দিছিল। সেই ৩ তাৰিখে তেখেত সকলৰ প্ৰতিবাদৰ দাবী মিটিঙত সিদ্ধান্ত কৰি চাৰমিট কৰাৰ ব্যৱস্থা কৰিছিল। এম, ই, স্কুল আৰু মাদ্ৰাছা স্কুলৰ শিক্ষক সকলৰ দাবী-দুৱা ইতিপূৰ্বে পৰা চৰকাৰৰ কাষত উত্থাপন কৰি আহিছে। যিবিলাক এম, ই, স্কুল আৰু মাদ্ৰাছা স্কুল প্ৰাদেশীকৰণ কৰা হৈছে, এই স্কুল সমূহৰ শিক্ষক সকলৰ চাকৰি বিধি তৈয়াৰ কৰাতো তেখেত সকলৰ এটা দাবী। যিসকল শিক্ষকে অৱসৰ পোৱাৰ পাছত শিক্ষক শিক্ষয়িত্ৰী সকল আৰু লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী চৌকিদাৰ আদি তেখেত সকলৰ পেনচন, গ্ৰেচুইটি আদি তেখেত সকলৰ দাবী। গ্ৰুপ ইঞ্চিওৰেঞ্চ স্কীমকে তেখেত সকলে ইতিমধ্যে ধৰিছে। তেখেত সকলৰ টকা চৰকাৰে আজিলৈকে আদায় দিয়া নাই। গতিকে দাবী হিচাবে চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। জনজাতীয় স্কুল সমূহত অনেক সমস্যা আছে যিবিলাক সমস্যা চৰকাৰে সমাধান কৰা নাই। যিবিলাক স্কুলত ইতিমধ্যে প্ৰাদেশীকৰণ হৈছে সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই আহিছে। গতিকে আগতে যি কেইজন শিক্ষক নিযুক্তি দিয়া হৈছিল সেইয়ে যথেষ্ট নহয়। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সেই বিল্ডিং গ্ৰেণ্ট দিব লাগে তাত যাতে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী নাম ভৰ্ত্তি কৰিব পাৰে। ছাত্ৰ-ছাত্ৰী যদি বেছি হয় তেতিয়া বেছি শিক্ষকৰ প্ৰয়োজন। গতিকে এডিচনেল পোষ্ট চৰকাৰে দিব লাগে আৰু নতুনকৈ শিক্ষক সেই স্কুলত নিযুক্তি দিব লাগে।

আনহাতে তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত স্কুল আছে, সেই এম, ই, মাদ্ৰাছা স্কুলৰ প্ৰাদেশীকৰণৰ প্ৰয়োজন। ১৯৭৮ চনত তদৰ্থ মঞ্জুৰী পাইছিল। সেই স্কুল সমূহ আজি প্ৰাদেশীকৰণ কৰাৰ দাবী আজি তেখেত সকলে উত্থাপন কৰিছে। এইটো শিক্ষক সকলৰ দাবী হব নোৱাৰে। শিক্ষাপ্ৰেমী ৰাইজৰ দাবী হব। তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত স্কুলসমূহ এডহকৰ বাবে এক হেজাৰলৈ বৃদ্ধি কৰিব লাগে। নতুনকৈ স্কুল তদৰ্থ মঞ্জুৰী

পোৱাৰ পাছত প্ৰাদেশীকৰণৰ বাবে বহুত দিন বাট চাব লগা হয়। শিক্ষকে কাম কৰি থকা চৰকাৰী তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত স্কুল যি ধৰণৰ মঞ্জুৰী হব সেইটো বৃদ্ধি কৰাটো প্ৰয়োজন। ঠিক সেইদৰে অন্যান্য দাবী আছে।

ইয়াৰ লগতে অন্যান্য দাবীও আছে— তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত স্কুল বিলাকত হিন্দী শিক্ষক বা বড়ো শিক্ষক নিযুক্তি দিয়াৰ কাৰণে আৰু এই তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত স্কুল বিলাকত আৰবী বা হিন্দী বা বড়ো শিক্ষকৰ পদ মঞ্জুৰী হোৱা নাই আৰু সেই কাৰণেই শিক্ষক হিচাবে নিযুক্তি দিব পৰা হোৱা নাই। গতিকে এই ক্ষেত্ৰত হাহাকাৰ চলি আছে। এম, ই, স্কুল বিলাকৰ পৰাও দাবী উত্থাপন কৰিছে। ঠিক সেইদৰে শিক্ষক সকলে অন্যান্য দাবী কৰিছে যে তেওঁলোকৰ স্কুল সমূহত শিক্ষাৰ যাৱতীয় যিবিলাক সা-সৰঞ্জাম সেইবিলাক দিব পৰা হোৱা নাই। এই বিলাক ন্যায় সঙ্গত দাবী। ইয়াৰউপৰি অন্যান্য দাবীৰ ভিতৰত অৰ্হতা সম্পন্ন হিন্দীত বি, এ পাচ কৰা বা প্ৰবীন পাচ কৰা সকলে গ্ৰেজুৱেট স্কেল দাবী কৰি আছে। শিক্ষক সকলৰ এইটো বহুদিনীয়া দাবী। তেখেত সকলে অভিযোগ কৰিছে যে তেখেত সকলে বিভাগীয় বিষয়াৰ লগত ১৯৭৪ চনৰ পৰাই কেইবা বাৰও আলোচনা কৰিছে। কিন্তু সেই আলোচনা সমূহৰ পাচত কোনো ধৰণৰ ফল পোৱা নাই। ইংৰাজী ৮।৬।৮৪ তাৰিখে সদৌ অসম মধ্য ইংৰাজী স্কুলৰ শিক্ষক সন্থাই চৰকাৰী কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিল। কিন্তু আলোচনাৰ পাচত চৰকাৰৰ পৰা যিবিলাক প্ৰতিশ্ৰুতি আৰু আশ্বাস দিছিল সেই বিলাক মাইনুটচত উল্লেখ নাথাকিল। এনে স্থলত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে শিক্ষক সকলৰ দাবীৰ সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা হাতত লব বিচাৰিছে?

Shri MUKUT SARMA (Minister, Education).—Mr. Speaker, Sir, Government have received a copy of the notice from the All Assam M. E. Teachers' Association intimating their decision to observe protest day on 3rd December, 1984. On receipt of the notice, the State Minister of Education, Shri Luis Islary met the Association representatives in his chamber and discussed their problems on 22nd November, 1984. The State Minister gave a patient hearing to the association representatives. Although the discussion was inconclusive in view of the large nos. of demands, the State Minister directed the Departmental Officers to sort out the pending problems quickly. The position relating to some of the major problems are summarised below :—

**(1) Preparation of Service Conduct Rules for M. E. Teachers.**

The Services of the M. E./M. E. Madrassa Teachers were provincialised under "Assam Secondary Education (Provincialisation) Act, 1977". The service conduct rules for these teachers were not framed. Subsequently all the M. E./M. E. Madrassa Schools have been brought under Elementary Education. There is already a Service Conduct Rules under the "Assam Elementary Education (Provincialisation) Act, 1974". Government is now examining the possibility of extending the said Rules to the M. E./M. E. Madrassa Schools with suitable amendments.

(2) Provincialisation of Adhoc and recognised M. E. Schools in a phased manner. So far schools recognised upto 1977 have been provincialised. Necessary report on 423 schools recognised upto 1979 are ready and Government will consider their provincialisation shortly. It may be stated that it is not possible to provincialise all the schools at a time owing to financial constraints.

**(3) Increased ad-hoc grants.**

At present ad-hoc grants are being paid @ Rs. 300/- to schools with enrolment of 75 and Rs. 400/- to Schools with enrolment beyond 75. The Association has demanded to raise the grant to Rs. 1,000/-. Current year being concluding year of the Sixth Five Years Plan, it will not be possible to raise the quantum of grant beyond what is being paid now, feasibility of enhancing the grant will however be examined during the 7th Plan.

**(4) Pension and Gratuity to retired teachers.**

The Question of pension and gratuity has come with provincialisation of the schools. Total number of teachers, whose services have been provincialised so far are more or less 1,06,000 of which approx 29,000 are M. E. teachers, Accountant General, Assam has expressed difficulty to process the pension cases of provincialised employees due to lack of staff and have suggested that Government may open a pension cell at Government's end. The matter is under active consideration of Government. Meanwhile Government is considering the possibility of granting provisional pension to M. E./M. E. Madrassa teachers.

**(5) Sanction of additional posts of teachers.**

Governments has already constituted a Review Committee to go, into the manner. The final report of the Review Committee is yet to be received. However, on the basis of an interim report of the Review Committee a proposal for creation of 200 posts have already been intiated and is likely to mature soon.

(6) Matters such as sanction of grants for repair/reconstruction of school buildings, supply of teaching aids etc. are being always considered subject to availability of fund.

It may be mentioned that the Association's demand run into some 54 Nos. while Government is soon to look into the welfare of the teachers, it may not be possible to fulfill all their demands at a time. Government will however examine each of their demands and try to meet them as far as possible within the limitation to finance.

* Shri HEMEN DAS —Mr. Speaker, Sir, I beg to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the "Sentinel" dated 15th November, 1984 under the caption "Gauhati University teachers to go on strike".

চাৰ, মই মাননীয় মন্ত্ৰী মহোদয়ে দাখিল কৰা বিবৃতিটো পাইছো যদিও বাৰ্তাবিটোৰ শিৰোনামাত আছিল ধৰ্ম্মঘট। ইয়াত যদিও ধৰ্ম্মঘট আছে তাৰ ভিতৰত অন্যান্য কথাও কিছুমান আছিল সেই কাৰণে মই কেইষাৰমান কব খুজিছো। মই যি প্ৰস্তাৱ উত্থাপন কৰিছিলো তাত শিক্ষক সন্থাই তেখেত সকলৰ দাবীত উত্থাপন কৰিছে যে গুৱাহাটী ইউনিভাৰ্চিটি যিটো একাডেমীক পৰিবেশ সেইটো নাইকীয়া হৈছে। টকা কেইটা নাই সেইটো বেলেগ কথা। ইয়াৰ পৰা টকা কেইটা গলেই আৰ্থিক যিখিনি অসুবিধা হৈ আছে সেইখিনি দূৰ হব। কিন্তু অত্যন্ত দুখঃজনক কথা যে এই গুৱাহাটী বিশ্ব বিদ্যালয় মুকলি কৰোতে ডঃ ভূপেন হাজৰীকাই গাইছিল— 'জিলিকাব লুইতৰে পাৰ' কিন্তু এই গুৱাহাটী ইউনিভাৰ্চিটিৰে শিক্ষাৰ পৰিবেশ আজি কেনে অৱস্থালৈ লৈ গৈছে ; এজন শিক্ষকে গৰ্ব্ব কৰি কৈছে যে তেওঁ যোৱা বছৰ হেনো মাত্ৰ ৬ টা ক্লাচহে কৰিছে। কি আচৰিত কথা এয়ে হল শিক্ষাৰ পৰিবেশ। যোৱা বছৰ এটা বিভাগত এজন লৰাই মাত্ৰ ২৯ টা ক্লাচ কৰিছে। তাত নিয়ম মতে এতিয়া ক্লাচ নহয়। অথচ তাতেই উচ্চ শিক্ষাৰ কাৰণে লৰা-ছোৱালীক পঠিওৱা হৈছে। আচৰিত কথা যে বছৰত ৬টা ক্লাচ কৰি পূৰ্ণ বেতন পাইছে। গতিকে মই চৰকাৰৰ ওচৰত দাবী কৰিব বিচাৰিছো এই বিশ্ববিদ্যালয়ত বছৰি কেইটা ক্লাচ হয় আৰু কোন বিভাগত বা বিষয়ত কিমান ক্লাচ হয় সেইটো নিৰ্দ্ধাৰণ কৰিব লাগে। নহলে আমি গোটেই ৰাজ্যখনত বৌদ্ধিক বিকাশত বাধাগ্ৰস্ত হোৱাটো স্বাভাৱিক। এই ধৰণে হৈ থাকিলে বিশ্ব-বিদ্যালয়ৰ একাডেমীক পৰিবেশটো কেনেকৈ ৰক্ষা পৰিব। আপোনালোকে চাওক বি, এ পৰীক্ষাৰ ফল ঘোষণা কৰোতে কিমান বিলম্ব কৰিলে, ভাৰতবৰ্ষৰ অন্যান্য ঠাইতো বিশ্ববিদ্যালয় আছে। তাত জানো ইমান বিলম্ব হৈছে। তাৰ পাচত চাওক বি, এ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে তাত শতকৰা ২১ ভাগ পাচ কৰিছে। ঠিক তেনেদৰে পি, ইউ তো ২১ ভাগ পাচ কৰিছে। বিশ্ববিদ্যালয়ৰ এনেবিলাক খেলি-মেলি হৈ থকাৰ কাৰণে কলেজ বিলাকতো তদ্ৰূপ অৱস্থা হোৱাটো একো আচৰিত কথা নহয়। গতিকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক দিশটো চালেই নহব শৈক্ষিক দিশটোও উন্নত কৰাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা লব বুলি আশা কৰিলো।

Mr. SPEAKER.—As the Hon'ble Minister, Education, has already laid a statement on the table of the Hon'ble Member the Minister is not required to give any more statement. But since he is willing to give the statement, he may do so.

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বিবৃতিটো সদনৰ মজিয়াত ৰখা হৈছে। তথাপিতো মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কেইটামান প্ৰশ্নৰ অৱতাৰণা কৰিছে। মাননীয় সদস্য গৰাকীৰ

লগত এই দিশত মইও একমত যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক যিটো পৰিবেশ হব লাগিছিল সেইটো হোৱা নাই। চৰকাৰ এই বিষয়ে সজাগ, অলপতে বিশ্ববিদ্যালয়ৰ ভাইচ্ চেঞ্চেলৰ আৰু ট্ৰেজাৰাৰ আৰু ৰেজিষ্টাৰাৰ মোৰ তালৈ আলোচনা কৰিবলৈ আহোতে তেখেত সকলে শিক্ষক সকলৰ ধৰ্ম্মঘটৰ, আন্দোলনৰ নটিচ পোৱাৰ পাচত পইচা লাগে বুলি কৈছিল। তেতিয়া মই কৈছিলো যে চৰকাৰৰ লগত আপোনালোকে এটা ওৱান ওৱে কৰি লৈছে। আপোনালোকে কেৱল ধন বিচাৰিহে আহে। আৰুকি ধন কেনেকৈ খৰচ হয় সেইটোও আমি নাজানো। মই তেখেত সকলক কৈ দিছো যে যিবিলাক ইৰেগুলাৰিটি হৈ আছে সেই বিলাকৰ অনুসন্ধান কৰিবৰ কাৰণে উচ্চ পদস্থ কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটিৰ ৰিপোৰ্ট পোৱাৰ পাচত বিশ্ববিদ্যালয়ৰ গোটেই দিশটো চাব পৰা হব। অধ্যক্ষ মহোদয়, আপুনি চাওক ১৯৮২ চনৰ পৰাই বিশ্ববিদ্যালয়ে এম, এ, এম, কম, এম, এচ, চি পৰীক্ষা পাতিব পৰা নাছিল। ছাত্ৰ সকলে পৰীক্ষাৰ কাৰণে সাজু নহয় বুলি কোৱাৰ কাৰণে দুবাৰকৈ পৰীক্ষা পিচুৱাই দিয়া হৈছিল। উপাচাৰ্য্য আৰু ৰেজিষ্টাৰাৰ পাচত মোৰ তালৈ আহোতে মই কৈছিলো যদি বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিশটো উন্নত নহয় আৰু পৰিবেশটো ঠিক নহয় চৰকাৰে তেতিয়া নীৰৱ দৰ্শক হৈ থাকিব নোৱাৰে আৰু ১ আগষ্টৰ ভিতৰত পৰীক্ষা অনুস্থিত নকৰিলে চৰকাৰ নীৰৱ দৰ্শক হৈ বহি নাথাকিব। পিচত জানিবা ১ আগষ্টৰ ভিতৰত পৰীক্ষা পাতিলে। তাকো এই পৰীক্ষা এমাহ জুৰি পাতিবলগীয়া হল। ফলাফল এতিয়াও ঘোষণা কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, চাওক আমাৰ সাধাৰণ লৰা-ছোৱালীৰ কি অৱস্থা হৈছে। এইবাৰ হায়াৰ চেকেণ্ডাৰী স্কুল ৮১ খন লব বিচাৰিছো। কিন্তু তাত শিক্ষক দিবৰ কাৰণে দৰ্খাস্ত পোৱা নাই। বহুতো লৰা-ছোৱালীয়ে আহি আপত্তি কৰিছে যে পৰীক্ষাৰ ফল ঘোষণা কৰা নাই কাৰণে আমি দৰ্খাস্ত দিব পৰা নাই। চৰকাৰে চাকৰি দিব বিচাৰিছে কিন্তু শিক্ষকৰ কাৰণে দৰ্খাস্ত পোৱা নাই। মই দৃঢ়ভাবেই কৈ দিছো চৰকাৰ নীৰৱ দৰ্শক হৈ বহি থাকিব নোৱাৰে। যেতিয়ালৈকে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ ঘুৰাই আনিব নোৱাৰে। বিশ্ববিদ্যালয়ত থকা পুৰণা ছাত্ৰ বিলাকৰ নিৰ্দ্দেশতহে পৰীক্ষা পাতে। আজি ছাত্ৰৰ আহবানততে কাম বিলাক কৰিছে। গতিকে পৰিবেশ এনেকুৱা হৈছে। বিশ্ববিদ্যালয়ত এম, এ, এম, এচ, চিৰ ছাত্ৰ-ছাত্ৰী বিলাকে হোষ্টেলৰ ভিতৰত সোমাই আছে আৰু সেই লৰা-ছোৱালী সকলৰ নিৰ্দ্দেশতেই পৰীক্ষা পাতিছে। ১৯৮২ চনৰ পৰা কোনো পৰীক্ষা পাতিব পৰা নাছিল। গতিকে বি, এ পাচ কৰা ছাত্ৰ সকলে এডমিচন লব পৰা নাই। এইদৰে নতুন চাম ছাত্ৰ-ছাত্ৰীক ন্যায্য উচ্চ শিক্ষা লোৱাৰ পৰা বঞ্চিত কৰিছে। গতিকে চৰকাৰে আকৌ কৈছে যে চৰকাৰ নীৰৱ দৰ্শক হৈ বহি থাকিব নোৱাৰে। সময় মতে ব্যৱস্থা লবলৈ বাধ্য হম।

Shri BENOY KUMAR BASUMATARY.—Sir, I would like to raise a point here. When the University Court held its session last year, we went to attend the meeting twice but the meeting had to be adjourned twice because we were declared persona-non grata. Then, sir, when the funds of the University were required then the authorities held the meeting of the University Court in the Stadium. Immdeidately after passing the budget, the meeting had to be adjourned. After that no meeting was held. Now, sir, we do not know when the next meeting of the Court will be held. Even if the the Court is held, we do not know whether it will be possible to attend the meeting there. Therefore, sir, the Government will have to take proper steps and assure that we can go there and conduct the proceedings in a congenial atmosphere. Another thing-is that from the

Assembly side, they are trying to avoid inclusion of the member to the Executive Council. These are some of the important points I have brought before the House and to the Government for appropriate action.

Shri MUKUT SHARMA (Minister) :— Sir, I will look into the matter.

Mr. SPEAKER.—Item No. 6, Shri Hemen Das.

Shri HEMEN DAS—Sir, I beg to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to

"হায়াৰ চেকেণ্ডৰী স্কুলত শিক্ষক নাই।" মই বিবৃতিও পঢ়িলো। মঞ্জুৰী পালে দিব পাৰে গতিকে বিত্তমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী দুয়ো গৰাকীয়ে আলোচনা কৰি হায়াৰ চেকেণ্ডৰী স্কুলৰ অৰাজকতা দূৰ কৰক।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) :— মই বিবৃতি সদনত দাখিল কৰিছো। মাননীয় সদস্য গৰাকীৰ দৰে আমিও উদ্বেগ পাইছো। আগেয়ে যি বাজেট প্ৰভিজন আছিল তাতকৈ বেছি সংখ্যক স্কুল হায়াৰ চেকেণ্ডৰী পৰ্য্যায়লৈ নিব লগা হল। মাননীয় সদস্য সকলে জানে যে মেট্ৰিক পাছ কৰাৰ পিছত উচ্চ শিক্ষাৰ কাৰণে যথেষ্ট অসুবিধা ভুগিছে। সেই কাৰণে ভিতৰুৱা গাওঁ অঞ্চলত হায়াৰ চেকেণ্ডৰী কৰিব খুজিছো। মাননীয় সদস্য সকলে জানি সুখী হব যে বিত্ত বিভাগে এতিয়া ক্লিয়েৰ কৰি দিছে।

Mr. SPEAKER—The House stands adjourned sine die.

## ADJOURNMENT

The House then adjourned sine die at 11-21 A.M. on 5th December, 1984.

Dispur :
The 5th December, 1984.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (Mini) L. A. 117/89—1,500—9-8-89